OFFICE OF THE DISTRICT COMMISSIONER
MORIGAON · ASSAM

অসম চৰকাৰ

জিলা আয়ুক্তৰ কাৰ্য্যালয় :::: :::: :::: মৰিগাওঁ :::: অসম

নং- গাওঁ প্ৰধান/ই.চি.এফ/১৬১০০২/৩৬ তাৰিখঃ ২০/১১/২০২৫

## জা ন নী

ইয়াৰ দ্বাৰা মৰিগাঁও জিলাৰ মৰিগাঁও, মায়ং, মিকিৰভেটা, লাহৰিঘাট আৰু ভুৰাগাঁও ৰাজহ চক্ৰৰ অধীনৰ তলত উল্লেখ কৰা মৌজা কেইটাৰ গাওঁকেইখনৰ বাসিন্দা সকলৰ জ্ঞাতাৰ্থে জনোৱা হয় যে, গাওঁ প্ৰধানৰ মৃত্যু আৰু অৱসৰ হোৱাৰ ফলত খালী হৈ থকা গাঁও প্ৰধান পদত মকৰলৰ বাবে অসম চৰকাৰৰ সংশোধিত ইং-২৬/০৮/২০২১ তাৰিখৰ অধিসূচনা নং- আৰ,এল,আৰ, ৭৩/২০২০/৩ ৰ ওপৰত ভিত্তি কৰি ইচ্ছুক ব্যক্তিৰ পৰা গাওঁ প্ৰধান পদ পূৰণৰ বাবে অহা ইং- ১০/১২/২০২৫ তাৰিখৰ ভিতৰত পোৱাকৈ তলত উল্লেখ কৰা যোগ্যতা মতে আবেদন পত্ৰ বিচৰা হৈছে ।

| ক্র.নং | ৰাঃ চক্ৰৰ নাম | মৌজাৰ নাম | খালী হৈ থকা গাঁও প্ৰধান পদৰ কিছামৰ নাম | লাট নং |
|---|---|---|---|---|
| ১ | মৰিগাঁও | মৰিগাঁও | ভূঞাগুৰি আৰু আঁহতগুৰি নটুৱাগাঁও | ১১ |
| ২ | মৰিগাঁও | নিজ-তেতেলিয়া | দহুটি পদুম পুখুৰী | ৯ |
| ৩ | মৰিগাঁও | নিজ-তেতেলিয়া | মিকিৰবড়ী আৰু মেৰুৱাগাঁও | ১০ |
| ৪ | মৰিগাঁও | নিজ-তেতেলিয়া | বুঢ়াগাঁও | ৩ |
| ৫ | মৰিগাঁও | নিজ-তেতেলিয়া | জোৰগাঁও, বৰদল আৰু হাতীহুলুঙা | ১১ |
| ৬ | মৰিগাঁও | দন্দুৱা | গড়মাৰী আৰু চৰবড়ী | ১ |
| ৭ | মৰিগাঁও | দন্দুৱা | দলৈচুবা | ৫ |
| ৮ | মৰিগাঁও | দন্দুৱা | সাপকাটি | ৬ |
| ৯ | মৰিগাঁও | উত্তৰখোলা | পাত্ৰবড়ি | ৩ |
| ১০ | মৰিগাঁও | উত্তৰখোলা | আহঁতগুৰি | ৫ |
| ১১ | মায়ং | মায়ং | দিপ্ৰাং আৰু ঠেংভঙা | ৫ |
| ১২ | মায়ং | গোভা | বাঘজাপ আৰু নতুন বঙ্গালবড়ি | ২ |

| | | | | |
|---|---|---|---|---|
| ১৩ | | | ঝাৰগাঁও | ১ |
| ১৪ | | | কচাৰীগাঁও (কুমৈ) | ৪ |
| ১৫ | | মনহা | কুমৈ গাঁও আৰু কুমৈ পাহাৰ | ৪ |
| ১৬ | | | চতাবড়ী আৰু সৰুকুলৈ | ৬ |
| ১৭ | | | বেলগুৰি আৰু মনহা কছাৰিগাঁও | ৭ |
| ১৮ | | মিকিৰভেটা | হাবিবৰঙ্গাবাৰী ( অংশ-১) | ৫ |
| ১৯ | | | হাবিবৰঙ্গাবাৰী (অংশ-২) | ৬ |
| ২০ | | | বৰচকাবাহা | ৭ |
| ২১ | মিকিৰভেটা | চৰাইবাহী | টকোনাবড়ি | ৮ |
| ২২ | | | লুঙামুখ (ভোমোৰাগুৰি) | ১৯ |
| ২৩ | | শিলপুখুৰী | নিজ মিকিৰগাঁও | ৭ |
| ২৪ | | | চাৰিপুনীয়া | ১৭ |
| ২৫ | | লাহৰিঘাট | কছাৰিবড়ী আৰু সাপকাটি | ৭ |
| ২৬ | লাহৰিঘাট | | ৰজাগাধোৱা, বৰখাবল, ধিঙৰআটি আৰু মৰিতলি পথাৰ | ১১ |
| ২৭ | | মৈৰাবাৰী | মৈৰাবাৰী টাউন আৰু মৈৰাবাৰী গাঁও | ৫ |
| ২৮ | | | ঔতলাবড়ি, ধোবাংখাইটি | ১ |
| ২৯ | ভুৰাগাঁও | ভুৰাগাঁও | অমৰাগুৰি | ৭ |
| ৩০ | | | কুপটিমাৰি, ১নং বৰকোৰ | ১৪ |

**যোগ্যতা :-**

১) আবেদনকাৰী ভাৰতীয় নাগৰিক আৰু মৰিগাঁও জিলাৰ অৰ্ন্তগত ওপৰত উল্লেখ কৰা গাওঁ প্ৰধান পদ খালী হৈ থকা গাওঁকেইখনৰ নিযুক্তিৰ বাবে আবেদন কৰা গাঁওখনৰ স্থায়ী বাসিন্দা হব লাগিব। লগতে সেই গাঁৱত নিজৰ নামত ঘৰ-মাটি থকাৰ প্ৰমান প্ৰত্ৰ,ভোটাৰ পৰিচয়পত্ৰ ও অদ্যাপি (Up to date) ৰাজহ আদায়ৰ প্ৰমান প্ৰত্ৰ গাঠি দিব লাগিব।

২) আবেদনকাৰী **সু-চৰিত্ৰৰ** অধিকাৰী হব লাগিব। আবেদনকাৰীৰ বিৰুদ্ধে কোনো ধৰণৰ **ফৌজদাৰী** গোচৰ আদি থাকিব নোৱাৰিব।

৩) আবেদনকাৰী **শাৰিৰীক আৰু মানসীক** ভাবে সুস্থ হব লাগিব।

৪) আবেদনকাৰী শিক্ষাগত অৰ্হতা ৰাজ্যিক/কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা আয়োগ/পৰিষদৰ দ্বাৰা স্বীকৃতি প্ৰাপ্ত প্ৰতিষ্ঠানৰ পৰা নূন্যতম **দশম শ্ৰেণী উত্তীৰ্ণ** হব লাগিব। (অসমীয়া বা ইংৰাজী মাধ্যমৰ হ'ব লাগিব)।

৫) আবেদনকাৰীৰ বয়স ১০/১২/২০২৫ তাৰিখত নিম্নতম **৩০ বছৰৰ** কম হব নোৱাৰিব। (বয়সৰ প্ৰমান পত্ৰ গাঠি দিব লাগিব) আৰু গাওঁপ্ৰধান পদত **৬৫** বছৰ বয়সলৈকেহে কাম কৰিব পাৰিব।

৬) আবেদনকাৰী দেউলীয়া বা কোনো ঋণ অনাদায়ী ব্যক্তি হ'ব নোৱাৰিব। (বাকিজাই ঋণ মুক্ত প্ৰমান পত্ৰ গাঠি দিব লাগিব)।

৭) আবেদনকাৰী কোনো ৰাজনৈতিক দলৰ সদস্য হ'ব নোৱাৰিব।

৮) আবেদনকাৰীৰ এগৰাকী বা ততোধিক পত্নীৰ পৰা **দুটাতকৈ অধিক** জীৱিত লৰা-ছোৱালী থাকিব নোৱাৰিব। (**শপতনামা** গাঠি দিব লাগিব)। অৱশ্যে ইং-১৯/৭/২০১৯ তাৰিখৰ নতুন অধিসূচনা নং- আৰ,এল,আৰ, ১৮৭/২০০৭/পিটি/২৪ ৰ আগৰ হলে প্ৰযোয্য নহয়।

* নিম্নতম মাহেকীয়া পাৰিতোষিক **১৪,০০০.০০** (চৈধ্য হাজাৰ) টকা দিয়া হ'ব। (চৰকাৰৰ নিৰ্দেশনা মতে প্ৰযোয্য হ'ব)।

* আবেদনকাৰীৰ নামত **ফৌজদাৰী** গোচৰ নথকাৰ **আৰক্ষীৰ প্ৰতিবেদন** আৰু **সু-স্বভাৱ চৰিত্ৰৰ** ও **সু-স্বাস্থ্য ও সুস্থ মস্তিষ্কৰ** প্ৰমান প্ৰত্ৰ গাঠি দিব লাগিব।

* আবেদনৰ লগত **শিক্ষাগত অৰ্হতাৰ** সকলো প্ৰমাণ পত্ৰ স্ব-স্বাক্ষৰ কৰি গাঠি দিব লাগিব।
**ইচ্ছুক প্ৰাৰ্থীয়ে অহা ইং- ১০/১২/২০২৫ তাৰিখৰ** ভিতৰত অসম গেজেট (অংশ-৯) **Standard Form** যোগে **Bio Data** সহ আবেদন মৰিগাঁও জিলা আয়ুক্ত কাৰ্য্যালয়ৰ গাওঁ প্ৰধান শাখাত ৰখা বাকচত পঞ্জীয়ণভূক্ত কৰি ৩(তিনি) খন পাছপ'ট আকাৰৰ ফটো সহ জমা দিব লাগিব। নিৰ্দ্ধাৰিত তাৰিখৰ বিয়লি **৫.০০** বজাৰ পিচত জমা দিয়া আবেদন গ্ৰহণ যোগ্য নহব।

* গাওঁ প্ৰধান পদৰ যোগ্য আবেদনকাৰীৰ তালিকা আৰু নিৰ্ব্বাচনৰ পৰীক্ষাৰ তাৰিখ জিলা আয়ুক্তৰ ৱেবচাইটত আপল'ড কৰা হ'ব।

Digitally signed by
ANAMIKA TEWARI
Date: 22-11-2025
10:50:07

জিলা আয়ুক্ত,
মৰিগাঁও।

স্মাৰক নং- গাওঁ প্ৰধান/ই.চি.এফ./১৬১০০২/৩৬-ক তাৰিখঃ ২০/১১/২০২৫

ইয়াৰ প্ৰতিলিপিঃ-

১) মাননীয় সঞ্চালক, ভূমিলেখ্য ও জৰিপ বিভাগ, অসম, ৰূপনগৰ, গুৱাহাটী।
২) সম জিলা আয়ুক্ত, জাগীৰোড আৰু লাহৰিঘাট।
৩) চক্ৰ বিষয়া, মায়ং, লাহৰিঘাট, আৰু ভুৰাগাঁও, মিকিৰভেটা আৰু মৰিগাঁও ৰাজহ চক্ৰ। তেখেত সকলে এই জাননী খন চক্ৰত থকা জাননী ফলকত আৰি দিয়াৰ ব্যৱস্থা কৰিব।
৪) তথ্য ও জনসংযোগ বিষয়া, মৰিগাঁও। তেখেতে স্থানীয় বাতৰি কাকত আৰু দূৰদৰ্শনত বহুল প্ৰচাৰৰ ব্যৱস্থা কৰিব।
৫) জিলা তথ্য বিজ্ঞান বিষয়া, মৰিগাঁও। তেখেতে ৱেবচাইটত আপল'ড কৰাৰ ব্যৱস্থা কৰিব।
৬) জিলা আয়ুক্ত কাৰ্য্যালয়ৰ জাননী ফলক।

জিলা আয়ুক্ত,
মৰিগাঁও।